# ৰঙাপৰা মহাবিদ্যালয়ত সাহিত্য একাডেমীৰ সৌজন্যত কাব্যিক অৰ্ন্তদৃষ্টি আৰু জীৱন শীৰ্ষক আলোচনাচক্ৰ



**নতুন স্বদেশ সেৱা ৰঙাপৰা ২৬ ফেব্ৰুৱাৰী ঃ** কলাশুদ্ধৰে জগত সুন্দৰ কৰে। পৃথিৱীক দুনীয়া কৰিব হলে কাব্য, সাহিত্য আৰু শিল্পই সুন্দৰ কৰি তুলে। মানুহৰ জীৱন সাৰ্থক হব মানুহে অন্তৰ বগে ভাবে আৰু নিবিড় ভাবে সৌন্দৰ্যৰ সম্ভাৰ গঢ়ি তুলিব লাগিব। তাৰ উপৰিও চিন্তাৰ আন্দোলনে কাব্য প্ৰতিভাৰ উন্মেষ ঘটায়। আজি ৰঙাপৰা মহাবিদ্যালয়ৰ ডিজিটেল প্ৰেক্ষাগৃহত সাহিত্য একাডেমীৰ উদ্যোগত আৰু ৰঙাপৰা মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত হোৱা কাব্যিক অৰ্ন্তদৃষ্টি আৰু জীৱন শীৰ্ষক আলোচনাচক্ৰত উপস্থিত থাকি এনে দৰে মন্তব্য কৰে সুবক্তা দাৰ্শনিক বিশিষ্ট বিশ্ব শৰ্মাই। পুৱা 10 বজাত আৰম্ভ হোৱা অনুষ্ঠানটোৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যাপক প্ৰশান্ত বৰুৱাই আৰু অনুষ্ঠানটোৰ আদৰণি ভাষণ পাঠ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ বেঞ্জামিন কলিতাই। নিজৰ আদৰণি ভাষণত অধ্যক্ষ ড০ বেঞ্জামিন কলিতাই কয় যে ৰঙাপৰা মহাবিদ্যালয়ৰ বাবে আজিৰ দিনটো এক ঐতিহাসিক দিন। তেওঁৰ কাৰ্যকালৰ বিগত 6 বছৰত এইখনে এনেধৰণৰ প্ৰথম আলোচনাচক্ৰ। এই বছৰৰ শেষভাগলৈ এনে ধৰণৰ আলোচনাচক্ৰ আকৌ অনুষ্ঠিত কৰা হ'ব বুলি তেওঁ কয়। সাহিত্যৰ মাজেদি অতীতক চিনাকি পোৱা যায় আৰু বৰ্তমানৰ সমস্যা সাহিত্যৰ মাজেদি প্ৰতিফলিত হয় বুলি তেওঁ মন্তব্য কৰে। সাহিত্য একাডেমী কলিকতাৰ আঞ্চলিক সম্পাদক দেবেন্দ্ৰ কুমাৰ দেৱেশে নিজৰ ভাষণ প্ৰসংগত উল্লেখ কৰি কয় যে বৰ্তমান সমাজ ব্যৱস্থাত চলি থকা বিভিন্ন সমস্যাৰ অনুভূতি সমূহ সাহিত্যিক আৰু কবি সকলে দাঙি ধৰাৰ প্ৰয়াস কৰি আহিছে। পৃথিৱীত থকা সমস্যা সমূহ মানৱীয় অনুভূতিৰে সমাধানৰ দিশত সমাধান হব বুলি আশা কৰিব পাৰি। তদুপৰি তেওঁ উল্লেখ কৰি কয় যে অহা মাৰ্চ মাহত সাহিত্য একাডেমী অনুষ্ঠানটোৱে 70 বছৰত ভৰি দিব। বৰ্তমান একাডেমীয়ে ভাৰতৰ 24টা ভাষাত শিশু, যুৱক, সাহিত্য অনুবাদ, নাৰী সমাজ, প্ৰতিবন্ধক ব্যক্তিসকলৰ বাবে কাম কৰি 8000 পুথি প্ৰকাশ কৰিছে। তদুপৰি সাহিত্য একাডেমীয়ে বছৰত 150টা গ্ৰন্থ মেলাত অংশগ্ৰহণ কৰে। লগতে অনুষ্ঠানটোৱে নিজৰ কাকত প্ৰকাশ কৰা বুলি কয়। বৰ্তমান ইণ্টাৰনেটত সাহিত্য একাডেমীৰ বহু তথ্য সময়ে সময়ে অনুষ্ঠানটোৱে প্ৰেৰণ কৰি আহিছে। গতিকে কবি আৰু সাহিত্যিক সকলে নিজৰ প্ৰতিভাৰে সমাজ খনক আগবঢ়াই নিয়ে আৰু এই ক্ষেত্ৰত সাহিত্য একাডেমীয়ে নিজৰ অৱদান আগবঢ়াই গৈছে। সাহিত্য উৎসৱ গ্ৰামলোক নামৰ এটা অনুষ্ঠান গাঁৱত কৰা হয় বুলি তেওঁ কয়। ইতিমধ্যে কাৰ্বি ভাষাতো এনে অনুষ্ঠান কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী চাৰু চহৰীয়া নাথ উপস্থিত থাকি অনুষ্ঠানটোৰ শুভেচ্ছামূলক বক্তব্য আগবঢ়াই আৰু এনে ধৰণৰ আলোচনাচক্ৰই অধ্যাপক অধ্যাপিকা সকলক উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰে। দ্বিতীয় কবিসন্মি নামৰ কবিতাৰ অনুষ্ঠানত মনস্বী কবি বিপুল জ্যোতি শইকীয়াই তেখেতৰ সাহিত্য যাত্ৰা আৰু শোণিতপুৰীয়া সাহিত্য কৰ্মৰ বিষয়ে বক্তৃতা দিয়ে। অনুষ্ঠানত অঞ্চলটোৰ বিশিষ্ট কবি ভাবেশ মিশ্ৰ, কমলা বেগম, জয়া শইকীয়া দাস, আৰ কে বোড়ফকৰা, অসিত ভট্টাচাৰ্য, ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মোহন গোস্বামীৰ লগতে ৰঙাপৰা মহাবিদ্যালয় আৰু নাদিপৰা মডেল মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা উপস্থিত থাকে।

# নলবাৰী জিলা প্ৰশাসনৰ 'মোডি' আঁচনিৰ পৰিমাপসমূহ পূৰণৰ বাবে প্ৰচেষ্টা অব্যাহত

**নতুন স্বদেশ সেৱা, নলবাৰী, ২৬ ফেব্ৰুৱাৰীঃ** অসমৰ মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ সকলো পৌৰসভাৰ বাবে বিগত 2023 বৰ্ষৰ আগষ্ট মাহত মুকলি কৰা (মোষ্ট আউটষ্টেণ্ডিং ডিষ্ট্ৰিক্ট ইনিচিয়েটিভ) অৰ্থাৎ 'মোডি' পদক্ষেপৰ পৰিমাপসমূহ পূৰণৰ লক্ষ্যৰে নলবাৰী জিলা প্ৰশাসনে উদ্ভাৱনী ধাৰণা তথা আঁচনি আৰু উপলব্ধ সাধনৰ মাজত সামঞ্জস্যতা সৃষ্টিৰে জিলাখনত বহুতো অভিনৱ পদক্ষেপ গ্ৰহণ কৰিছে। এই অভিনৱ পদক্ষেপ সমূহৰ অংশ হিচাপে নলবাৰী জিলা প্ৰশাসনে যোৱা 2023 বৰ্ষৰ নৱেম্বৰ মাহত ভাৰত চৰকাৰৰ বেটি বাচাও বেটি পঢ়াও আঁচনিৰ অধীনত 'শুভ পৰিণয়' শীৰ্ষক এক সামূহিক বিবাহ অনুষ্ঠানৰ আয়োজন কৰে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ মুঠ 10 যোৰা বিবাহৰ উপযুক্ত ল'ৰা-ছোৱালীয়ে এই অনুষ্ঠানৰ জৰিয়তে সামাজিকভাৱে বিবাহ পাশত আৱদ্ধ হয়। এই বিবাহ অনুষ্ঠান কেৱল সামাজিক উত্তৰণৰ দিশে গ্ৰহণ কৰা এক পদক্ষেপেই নহয়, বৰঞ্চ ই এক সম্পূৰ্ণৰূপে পৰিৱেশ অনুকূল সেউজ বিবাহ অনুষ্ঠান আছিল যি অনুষ্ঠানে 'মোডি' পৰিমাপসমূহৰ এক অন্যতম পৰিমাপ- বহনক্ষম আৰু অৰ্থনৈতিকভাৱে লাভজনক সেউজ বিবাহস্থল ধাৰণা পূৰণ কৰিছিল। বিবাহ অনুষ্ঠানটোত ব্যৱহাৰ হোৱা কল পাতৰ প্লেট, মাটিৰ পৰা নিৰ্মিত খাদ্য গ্ৰহণ কৰা চামুচ তথা খাদ্য ৰখা পাত্ৰ, বাঁহেৰে নিৰ্মিত ডাষ্টবিন আৰু ফুল-পাতেৰে সু-সজ্জিত বিবাহ স্থলী ইত্যাদিৰ দ্বাৰা সমাজৰ বাবে এক বহনক্ষম শূন্য আৱৰ্জনাযুক্ত আৰ্হি প্ৰদৰ্শন কৰা হৈছে বুলি মন্তব্য কৰে জিলা আয়ুক্ত বৰ্ণালী ডেকাই। এনে সেউজ বিবাহ অনুষ্ঠানৰ আৱৰ্জনাবোৰ ৰিচাইকল বা পুনৰব্যৱহাৰৰ জৰিয়তে (শেষ পৃষ্ঠাত)